# শিশুকেন্দ্ৰীক দুৰ্যোগৰ আশংকা হ্ৰাসকৰণ বিষয়ক নিৰ্দেশনা



**গ্ৰাম্য বিকাশ মঞ্চ**

**নলবাৰী ঃ অসম**

# শিশুকেন্দ্ৰীক দুৰ্যোগৰ আশংকা হ্ৰাসকৰণ বিষয়ক নিৰ্দেশনা

গ্ৰাম্য বিকাশ মঞ্চ

নলবাৰী, অসম

গ্ৰাম্য বিকাশ মঞ্চ তথা এফ. এ. ডি. ভি., ইটালিৰ সহযোগত ৰূপায়িত প্ৰকল্প "ৰাইজৰ সহযোগত শিশু কেন্দ্ৰীক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প"ৰ অধীনত "শিশু কেন্দ্ৰীক দুৰ্যোগৰ ক্ষয়ক্ষতিৰ আশংকা হ্ৰাসকৰণ বিষয়ক নিৰ্দেশনা" হাতপুথিখন প্ৰকাশ কৰা হৈছে।

---

প্ৰকাশক : গ্ৰাম্য বিকাশ মঞ্চ

বেটুপাত : কমল কিশোৰ হাজৰিকা

স্বত্ব : গ্ৰাম্য বিকাশ মঞ্চ

প্ৰথম সংস্কৰণ : জুন, ২০১৬

## কৃতজ্ঞতা

*এই হাতপুথি প্ৰকাশ কৰাৰ ক্ষেত্ৰত বিষয়বস্তুৰ খচৰা প্ৰস্তুত তথা যুগুতাই দিয়াৰ বাবে নয়নজ্যোতি ভূঞা আৰু কিশোৰ কুমাৰ কলিতা দেৱলৈ বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। তদুপৰি পুথিখন প্ৰকাশৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ সঞ্চালক পৃথ্বিভূষণ ডেকা, সম্পাদক দিবাকৰ ডেকা, উপ-সভাপতি প্ৰাঞ্জল চক্ৰৱৰ্ত্তী, স্বেচ্ছাসেৱক প্ৰদীপ শৰ্মা, টিংকু বৈশ্য আৰু আতিকৰ ৰহমানক ধন্যবাদ জ্ঞাপন কৰিলোঁ।*

**কমল কিশোৰ হাজৰিকা**
*প্ৰকল্প পৰিচালক, গ্ৰাম্য বিকাশ মঞ্চ*

*গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী, নলবাৰী*
*যোগাযোগ নং- (০৩৬২৪) ২৮৩৮৮৮,*
*E-mail : gvmassam@gmail.com*

---

ছপা : ব্ৰাইট অফ্‌চেট প্ৰেছ, হাজো ৰোড, নলবাৰী -৯৮৬৪৪০০৯০৭

১. পাতনি ঃ

ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলত হোৱা বিভিন্ন দুৰ্যোগত আক্ৰান্তসকলৰ যদি এক পৰিসংখ্যাগত বিশ্লেষণ কৰা যায় তেন্তে দেখা যাব যে প্ৰায় সকলোধৰণৰ দুৰ্যোগত আটাইতকৈ ক্ষতিৰ মুখামুখি হ'ব লগাত পৰে শিশুসকল। শিশুসকলৰ পিছতে সৰ্বাধিক আক্ৰান্ত শ্ৰেণীটো হ'ল মহিলাসকল। অসম তথা উত্তৰ-পূব ভাৰতো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। বিগত দুটামান দশকৰ ভিতৰত এই অঞ্চলটোত হোৱা প্ৰলয়ংকৰী বান, ধুমুহা, ভূমিকম্প, গৰাখহনীয়া, মানুহৰ দ্বাৰা সৃষ্টি হোৱা বিভিন্ন দুৰ্যোগ আদিৰ দ্বাৰা আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে শিশুসকল। ২০১৪-১৫ বৰ্ষত পশ্চিম অসমৰ গোৱালপাৰা আদি অঞ্চলত আকস্মিকভাৱে হোৱা বানপানীত কেবাজনো শিশুৰ সলিল সমাধি ঘটা কথাটো সম্ভৱতঃ সকলোৰে বিদিত। একেদৰে একেইটা বছৰত ধেমাজি জিলাত নদীৰ সোঁতত মাতৃ আৰু শিশুক উটুৱাই লৈ যোৱাৰ ছবিয়ে সকলো অসমবাসীকে মৰ্মাহত কৰি তুলিছিল।

দেখা গৈছে যে সকলোধৰণৰ দুৰ্যোগৰ, লাগিলে সেইয়া প্ৰাকৃতিকেই হওক বা মানৱসৃষ্টই হওক, প্ৰথম চিকাৰ হৈ পৰে শিশুসকল। শেহতীয়াভাৱে সমগ্ৰ বিশ্বজুৰি জলবায়ুৰ পৰিৱৰ্তনৰ বাবে যি ব্যাপক মাত্ৰাত প্ৰাকৃতিক দুৰ্যোগ সংঘটিত হ'ব ধৰিছে তাৰো সৰ্বাধিক প্ৰভাৱ পৰিছে শিশুসকলৰ ওপৰত। সেয়েহে দুৰ্য়োগজনিত বিপদ হ্ৰাসকৰণ (Disaster Risk Reduction বা ডি আৰ আৰ)ৰ সকলো সকলোধৰণৰ প্ৰক্ৰিয়া বা ব্যৱস্থাই সম্প্ৰতি আগস্থান দিছে শিশুকেন্দ্ৰীক দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ ওপৰত। অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ডি আৰ আৰৰ বাবে যিবোৰ পন্থা বা আঁচনি হাতত লোৱা হৈছে সেইবোৰে কিমান তৎপৰতাৰে বা দক্ষতাৰে শিশুসকলক দুৰ্যোগজনিত যিকোনো বিপদৰ পৰা ৰক্ষা কৰিব পাৰে সেই সম্পৰ্কত ভালেমান গুণাগঠা আৰম্ভ হৈছে।

আমি জানো যে দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ বা ডি আৰ আৰৰ যিকোনো উদ্যোগেই শিশুৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব নোৱাৰে যদিহে এনে আঁচনি প্ৰস্তুত কৰা তথা প্ৰয়োগৰ সময়ত শিশুৰ প্ৰয়োজনক অগ্ৰাধিকাৰ দিয়া নহয়। যেতিয়াই ডি আৰ আৰ আঁচনিয়ে শিশুৰ প্ৰয়োজনক অগ্ৰাধিকাৰ দিব তেতিয়াই আমি তেনে আঁচনিক শিশু-কেন্দ্ৰীক বুলি অভিহিত কৰিব পাৰো। তদুপৰি এনে আঁচনি প্ৰস্তুত কৰাৰ সময়ত বা ইয়াক প্ৰয়োগ কৰা সময়ত যদি শিশুসকলৰ অংশগ্ৰহণ নিশ্চিত হয় তেন্তে তেনে আঁচনিহে শিশুৰ বাবে প্ৰকৃত অৰ্থত কাৰ্যকৰী হয়।

অসমৰ নিচিনা এখন আৰ্থিকভাৱে পিছপৰা ৰাজ্যত শিশু-কেন্দ্ৰীক ডি আৰ আৰৰ বিষয়ে চিন্তা-চৰ্চা কৰা তথা তেনে চিন্তাৰে ইয়াক ৰূপায়ণ কৰাটো এক কষ্টসাধ্য কাম। বিভিন্ন চৰকাৰী বিভাগসমূহৰ আন্তঃবিন্যাস, প্ৰশাসন যন্ত্ৰৰ সদিচ্ছা, পুঁজিৰ আবণ্টন আৰু সৰ্বোপৰি দুৰ্যোগৰ ক্ষেত্ৰত শিশুক প্ৰদান কৰিব লগা অগ্ৰাধিকাৰৰ ওপৰতে এনে আঁচনিৰ কাৰ্যকাৰিতা নিৰ্ভৰশীল। এইটো স্বীকাৰ কৰিবলগীয়া কথা যে শিশুকেন্দ্ৰীক ডি আৰ আৰ প্ৰক্ৰিয়াৰ অভাৱতেই ভাৰতবৰ্ষৰ নিচিনা দেশসমূহত দুৰ্যোগৰ ফলত আটাইতকৈ বেছি শিশুসকলে ক্ষতি ভৰিবলগীয়া হয়। প্ৰাণনাশৰ উপৰি, শাৰিৰীক পংগুত্ব বহন, মানসিকভাৱে বিকলাংগ হোৱা আদি পৰিণতিক আকোৱালি ল'ব লগা হয় আমাৰ দেশৰ শিশুসকলে। ২০০৪ চনত ভাৰত মহাসাগৰত হোৱা প্ৰলয়ংকৰী চুনামিৰ কথা এইক্ষেত্ৰত প্ৰণিধানযোগ্য। এই চুনামিত নিহত সৰহভাগ লোকেই আছিল মহিলা আৰু এইসকলৰ বেছিভাগেই আছিল ১৫ বছৰৰ অনুৰ্দ্ধ।

শেহতীয়াভাৱে সমগ্ৰ বিশ্বজুৰি জলবায়ু পৰিৱৰ্তনৰ ফলত হ'ব পৰা সম্ভাব্য মানৱীয় ক্ষতি সম্পৰ্কত ব্যাপকভাৱে চিন্তাচৰ্চা আৰম্ভ হৈছে। ১৯৯০ দশকৰ শেহৰফালে বছৰি ৬৬.৫ নিজুত শিশু জলবায়বিক দুৰ্যোগৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা বুলি নিৰ্দ্ধাৰণ কৰা হৈছিল আৰু আগত সময়ত এই সংখ্যাটো বছৰি ১৭৫ নিযুত হ'ব বুলি অনুমান কৰা হৈছে।

Children in a Changing Climate Coalition বা চি চি চি নামৰ অনুষ্ঠানটো গঢ় দিয়া সংস্থাসমূহ যেনে একচন এইড, ফুটপ্ৰিণ্ট ফ্ৰেইগুছ, আই ডি এছ, এন চি বি, প্লেন ইণ্টাৰনেচনেল, ৰিস্ক ফ্ৰণ্টিয়াৰ, চেভ দ্যা চিলড্ৰেন (ইউ কে), ইউনিচেফ (Unicef, UK), ইণ্টাৰ ক্লাইমেট নেটৱৰ্ক আৰু ৱৰ্ল্ড ভিজনে দুৰ্যোগৰ সময়ত শিশুসকলে মুখামুখি হোৱা বিপদ হ্ৰাস কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰিছে। এই অনুষ্ঠানটোৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদনত কিছুসংখ্যক দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ পদক্ষেপৰ কথা উল্লেখ কৰা হৈছে। এনে পদক্ষেপবোৰৰ বিষয়ে বিতংভাৱে আলোচনা কৰাৰ আগতে আমি পোনতে দুৰ্যোগ আৰু দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ সম্পৰ্কত এক সম্যক ধাৰণা ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ।

### ২.১ দুৰ্যোগ মানে আমি কি বুজো ঃ

দেশীয় তথা আন্তৰ্জাতিক পৰ্যায়ত দুৰ্যোগ সম্পৰ্কত বিভিন্ন ধৰণৰ সংজ্ঞা প্ৰদান কৰা হৈছে। সহজতে বুজিবলৈ হ'লে আকস্মিকভাৱে ঘটা কোনো বিপৰ্যয়ৰ

ফলত কোনো সম্প্ৰদায় বা সমাজৰ যদি স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হয় আৰু সম্প্ৰদায়টো বা সমাজখনে নিজৰ সা-সম্পদৰ বা সামৰ্থৰে পূৰাব নোৱাৰা ক্ষতিৰ মুখামুখি হয় তেন্তে তেনে বিপৰ্যয়ক আমি দুৰ্যোগ বুলি ক'ব পাৰো। এনে দুৰ্যোগৰ ফলত এখন সমাজ বা সম্প্ৰদায়ৰ মানৱিক, বস্তুগত, সামাজিক পাৰিবেশিক, সাংস্কৃতিক বা আৰ্থিক ক্ষতি সাধন হ'ব পাৰে।

ৰাষ্ট্ৰসংঘৰ দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ সম্পৰ্কীয় আন্তৰ্জাতিক কাৰ্যপ্ৰণালী (UNSDR) অনুসৰি দুৰ্যোগ মানে হৈছে কোনো সম্প্ৰদায় বা সমাজে নিজস্ব সম্পদ বা সামৰ্থৰে সহিব নোৱাৰা এক গভীৰ অচলাৱস্থা যাৰ ফলত সমাজখনৰ মানৱিক, বস্তুগত, আৰ্থিক আৰু পাৰিবেশিক ক্ষতি সাধন হয় বা এইবোৰত প্ৰভাৱ পৰে। আকৌ ২০০৫ চনত প্ৰণয়ন কৰা দুৰ্যোগ ব্যৱস্থাপনা আইন (Disaster Management Act, 2005) খনত দুৰ্যোগ কাক বোলা হয় সেই সম্পৰ্কে এক বিশদ সংজ্ঞা দাঙি ধৰা হৈছে। এই সংজ্ঞা মতে প্ৰাকৃতিক বা মানৱসৃষ্ট কোনো কাৰণত বা দুৰ্ঘটনাবশতঃ অথবা অসাৱধানতাৰ বাবে যদি কোনো ধ্বংসলীলা, বিপৰ্যয়, দুৰ্ঘটনা অথবা ভয়ানক ঘটনা সংঘটিত হয় আৰু ইয়াৰ ফলত যদি যথেষ্ট সংখ্যক মানুহৰ প্ৰাণহানি অথবা কষ্ট হয়; অথবা সা-সম্পত্তি ধ্বংস বা নষ্ট হয়, অথবা পৰিৱেশ হানি হয় তথা অঞ্চলটোত বাস কৰা লোকসকলৰ বাবে এনে ক্ষতিৰ মোকাবিলা কৰাটো অসম্ভৱ হৈ পৰে তেন্তে তেনেবোৰ কাৰ্যক দুৰ্যোগ বুলিব পাৰি।

প্ৰাকৃতিকভাৱে হোৱা দুৰ্যোগ সদায় প্ৰাকৃতিক কাৰণত সংঘটিত হয় আৰু এনেবোৰ দুৰ্যোগক আমি নিম্নোক্ত শ্ৰেণীত ভাগ কৰিব পাৰো—

ক) ভূ-ভৌতিক (Geophysical) ঃ ভূমিকম্প, ভূস্খলন, চুনামি, আগ্নেয়গিৰি ইত্যাদি

খ) জলবিজ্ঞানগত (Hydrological) ঃ বানপানী, হিমস্খলন আদি

গ) জলবায়ু বিজ্ঞান সম্বন্ধীয় (Climatological) ঃ জলবায়ুৰ লগত জড়িত বিভিন্ন ঘটনা যেনে অত্যধিক তাপ বৃদ্ধি, খৰাং, বনজুই আদি

ঘ) বতৰ বিজ্ঞান সম্বন্ধীয় (Meterological) ঃ ঘূৰ্ণী বতাহ, ধুমুহা আদি

ঙ) জৈৱিক (Biological) ঃ বেমাৰ, মহামাৰী, প্লেইগ আদি হৈছে কিছুমান জৈৱিক দুৰ্যোগ। বিভিন্ন ধৰণৰ প্ৰতিষেধক দৰৱ, ঔষধ আদি আৱিষ্কাৰৰ পূৰ্বে সমগ্ৰ বিশ্বতে জৈৱিক দুৰ্যোগবোৰে লক্ষ লক্ষ লোকৰ প্ৰাণহানি কৰাৰ লগতে সামগ্ৰিকভাৱে সমাজ জীৱনত সৃষ্টি কৰিছিল সীমাহীন বিলাই বিপত্তি।

প্ৰাকৃতিক দুৰ্যোগবোৰ প্ৰাকৃতিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ পৰিণতিত সৃষ্টি হোৱাৰ লেখীয়াকৈ মানৱ সৃষ্ট দুৰ্যোগবোৰ হয় মানুহৰ প্ৰত্যক্ষ বা পৰোক্ষ কাৰ্যৰ ফলত। কিছুমান দুৰ্যোগ, বিপৰ্যয় বা ধ্বংসলীলা সংঘটিত হয় মানুহৰ অথবা কাৰিকৰী বিজুতিৰ বাবে। আনহাতে কিছুমান দুৰ্যোগ শৃংখলা বা নিৰাপত্তাৰ অভাৱত, প্ৰতিৰক্ষা/যুদ্ধ, আইন-শৃংখলাজনিত কাৰণ আদিৰ বাবেও হয় য'ত মানুহৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে থাকে। প্ৰযুক্তিগত অথবা মানুহৰ দ্বাৰা হোৱা দুৰ্যোগবোৰে দুৰ্ভিক্ষ, স্থানচ্যুতি, ঔদ্যোগিক দুৰ্ঘটনা, পৰিবহনৰ ক্ষেত্ৰত হোৱা দুৰ্ঘটনা আদিবোৰ সামৰি লয়। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল মানৱসৃষ্ট এনে দুৰ্যোগবোৰে কিন্তু সৰ্বশেষত প্ৰদূষণ ঘটোৱাৰ লগতে পৰিৱেশ অৱনমিত কৰে। তদুপৰি দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যিমানেই উদ্যোগ আৰু ব্যৱসায়ৰ সম্প্ৰসাৰণ ঘটিব লাগিছে সিমানেই মানুহৰ ইচ্ছাকৃত দুৰ্যোগৰ পৰিমাণ বাঢ়িব লাগিছে।

**২.২ দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ**

প্ৰশ্ন হ'ল যেতিয়াই আমি দুৰ্যোগৰ কথা কওঁ তেতিয়াই ইয়াৰ পৰিণতি বা প্ৰভাৱ সম্পৰ্কত ভালেমান প্ৰশ্নৰ অৱতাৰণা হয়। এই ক্ষেত্ৰত আটাইতকৈ ডাঙৰ প্ৰশ্নটোৱে হ'ল দুৰ্যোগৰ পৰা হ'ব পৰা বিপদ কমাব বা হ্ৰাস কৰিব পৰা যায় নে নাযায়? এনে এক পটভূমিতে দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ বা ডি আৰ আৰ ধাৰণাটোৰ জন্ম হৈছে। এই ধাৰণাটোৰ জৰিয়তে দুৰ্যোগ হোৱা কাৰকবোৰ বিশ্লেষণ কৰা হয় আৰু বিপদ হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা লোৱা হয়। দুৰ্যোগজনিত বিপদ চিনাক্ত কৰা, তাৰ মূল্যায়ণ কৰা তথা বিপদ হ্ৰাস কৰাৰ বাবে পদক্ষেপ লোৱা এই আটাইকেইটা দিশকে সামৰি লোৱা হৈছে এই ডি আৰ আৰ ধাৰণাত। দুৰ্যোগৰ ফলত হোৱা আৰ্থ-সামাজিক ক্ষতি, পাৰিবেশিক ক্ষতি আদি বিষয়কে এই ধাৰণাৰ জৰিয়তে হ্ৰাস কৰাৰ প্ৰচেষ্টা লোৱা হৈছে। বিপদৰ সৈতে মুখামুখি হোৱাৰ সম্ভাৱনা কমোৱা, মানুহৰ ক্ষতিৰ পৰিমাণ কমোৱা, ভূমি আৰু সম্পদৰ যথাযথ ব্যৱস্থাপনা, ক্ষতিসাধন কৰিব পৰা ঘটনাসমূহৰ বিষয়ে আগতীয়া সতৰ্কতা তথা এই বিষয়ে প্ৰস্তুতি চলোৱাৰ ক্ষেত্ৰত উন্নতি সাধন কৰা আদি বিষয়বোৰেই হৈছে দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ পদক্ষেপ। ডি আৰ আৰ দুৰ্যোগ ব্যৱস্থাপনা, দুৰ্যোগ উপশম আৰু দুৰ্যোগৰ বাবে প্ৰস্তুতি, এই তিনিওটা বিষয়কে সামৰি লয়। লগতে সুষম বিকাশ (Sustainable development)ৰ এক অপৰিহাৰ্য অংগ হৈছে ডি আৰ আৰ। যিকোনো ধৰণৰ বিকাশ প্ৰক্ৰিয়াক সুষম কৰিবলৈ হ'লে সমাজত দুৰ্যোগজনিত বিপদৰ আশাংকাক হ্ৰাস কৰিবই লাগিব। ওলোটাকৈ

ক'বলৈ হ'লে যিবোৰ বিকাশৰ কাৰ্যসূচী সুষম নহয় সেইবোৰত দুৰ্যোগজনিত বিপদৰ আশংকা তথা দুৰ্যোগৰ পৰা হ'ব পৰা ক্ষতি এই দুয়োটাই জড়িত হৈ থাকে। সেয়েহে ডি আৰ আৰ কৰ্মসূচীক শেহতীয়াভাৱে সকলো সমাজ, চৰকাৰ, সকলো ধৰণৰ বৃত্তি বা ব্যক্তিগত খণ্ডই আগস্থান দিয়া দেখা গৈছে।

**২.৩. ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় স্তৰত ডি আৰ আৰ ঃ**

সমগ্ৰ বিশ্বতে দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ সন্দৰ্ভত চিন্তাচৰ্চা আৰম্ভ হয় ১৯৭০ চনৰ পিছতে। ১৯৭২ চনত ষ্টকহমত সমগ্ৰ বিশ্বৰ দেশসমূহে সুষম বিকাশ সন্দৰ্ভত এক ঘোষণা আগবঢ়ায়। ষ্টকহম ঘোষণা ৰূপে পৰিচিত এই ঘোষণাৰ পিছতে ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত সৰহভাগ দেশেই বিকাশ বিষয়টো বিভিন্ন দৃষ্টিকোণৰ পৰা চাবলৈ আৰম্ভ কৰে। ষ্টকহমৰ ঘোষণাৰ জৰিয়তে সমগ্ৰ বিশ্ব প্ৰতিশ্ৰুতিবদ্ধ আছিল যে ভৱিষ্যত প্ৰজন্মৰ সুৰক্ষা, প্ৰয়োজন আদিক উলাই কৰি জধে-মধে, নিৰ্বিচাৰভাৱে প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ কৰা আৰ্হি কেতিয়াও বিকাশৰ আৰ্হি হ'ব নোৱাৰে। সকলো ধৰণৰ বিকাশমুখি প্ৰকল্পই বৰ্তমান আৰু ভৱিষ্যতৰ সকলো প্ৰজন্মৰ সম সুৰক্ষা আৰু অধিকাৰৰ স্বাৰ্থত প্ৰাকৃতিক সম্পদ যথাযথভাৱে ব্যৱহাৰ কৰিব আৰু এনে ব্যৱহাৰে পৰিৱেশ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি কোনো বিপদ আনিব নোৱাৰিব। প্ৰকৃতিৰ সুষম ব্যৱহাৰৰ জৰিয়তেহে সুষম বিকাশৰ কথা ভবা হ'ব।

সত্তৰৰ দশকতে এনেধৰণৰ এক ধাৰণাই সমগ্ৰ বিশ্বতে বিস্তৃতি লাভ কৰিছিল যদিও তাৰ প্ৰভাৱ খুউব ধীৰে ধীৰে পৰিবলৈ আৰম্ভ কৰে। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত নতুন চিন্তা-চৰ্চাৰ সূচনা ঘটে এই শতিকাৰ আৰম্ভণিৰ পৰাহে।

২০০৫ চনত জাপানৰ কোবে চহৰত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ দুৰ্যোগ হ্ৰাসকৰণ সম্পৰ্কীয় বিশ্ব সন্মিলন (UN's World Conference on Disaster Reduction বা WCDR)ত ডি আৰ আৰৰ উপাদানবোৰৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা হয়। এই সন্মিলনে বিশ্বৰ দেশসমূহক ডি আৰ আৰ ক্ষেত্ৰত কিছুমান অস্পষ্ট আঁচনি লোৱাৰ সলনি পোনপটীয়া আৰু স্পষ্ট কৰ্মসূচী ল'বলৈ আহ্বান জনায়। এই দিশত ডব্লিউ চি ডি আৰ (WCDR) ৰ দ্বাৰা হিউগো ফ্ৰেমৱৰ্ক ফৰ একচন (২০০৫-১৫) বা এইচ এফ এ (HFA)ৰ অনুমোদন জনোৱা হয়। ডি আৰ আৰ ক্ষেত্ৰত এইখনেই হৈছে প্ৰথম আন্তৰ্জাতিকভাৱে গৃহীত মূলনীতি বা বিধি। এই মূলনীতিত ডি আৰ আৰ সন্দৰ্ভত অগ্ৰাধিকাৰ

ভিত্তিত পাঁচটা কামক চিনাক্ত কৰা হৈছে। এইবোৰ হৈছে—

১) জাতীয় তথা আঞ্চলিক পৰ্যায়ত দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণক এক গুৰুত্বপূৰ্ণ কাম হিচাপে নিশ্চিত কৰা তথা ইয়াৰ কাৰ্যকাৰিতাৰ বাবে এক শক্তিশালী প্ৰতিষ্ঠানিক আধাৰ ঠিক কৰা।

২) দুৰ্যোগজনিত বিপদ চিনাক্ত কৰা, মূল্যায়ন আৰু নিৰীক্ষণ কৰা তথা আগতীয়া সতৰ্ক ব্যৱস্থাৰ উন্নীতকৰণ।

৩) সকলো স্তৰতে সুৰক্ষা আৰু পুনৰুদ্যমৰ এক সংস্কৃতি গঢ়ি তুলিবলৈ জ্ঞান, উদ্ভাৱনী শক্তি আৰু শিক্ষাৰ প্ৰয়োগ ঘটোৱা।

৪) বিপদৰ অন্তৰ্নিহিত কাৰকবোৰ হ্ৰাস কৰোৱা।

৫) সকলো স্তৰতে যথাযথ সঁহাৰি জনাবলৈ দুৰ্যোগৰ বাবে প্ৰস্তুত হোৱা প্ৰক্ৰিয়াৰ সবলীকৰণ ঘটোৱা।

**য়োকোহামা ষ্ট্ৰেটেজী ঃ**

জাপানৰ কোবে চহৰত আন্তঃৰাষ্ট্ৰীয়ভাৱে এক মূলনীতি ঘোষণা কৰাৰ প্ৰায় এটা দশক আগতে একেখন দেশৰ য়োকোহামাত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰবোৰে ১৯৯৪ চনত ২৩ মে'ৰ পৰা ২৭ মে'ৰ ভিতৰত অনুষ্ঠিত এখন সন্মিলনত মিলিত হৈছিল। প্ৰাকৃতিক দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ এই বিশ্ব সন্মিলনত (World Conference on Natural Disaster Reduction) নিম্ন উল্লেখিত কাৰ্যপন্থাবোৰ লোৱা হৈছিল—

১) প্ৰতিখন দেশৰ ইয়াৰ নাগৰিকক প্ৰাকৃতিক দুৰ্যোগৰ পৰা সুৰক্ষা দিয়াৰ এক সাৰ্বভৌম দায়িত্ব আছে।

২) প্ৰতিখন দেশৰ এই বিষয়ত জাতীয় সক্ষমতা আৰু দক্ষতা বৃদ্ধি কৰা হ'ব তথা প্ৰয়োজন অনুসৰি দুৰ্যোগ প্ৰতিৰোধ, উপশম আৰু প্ৰস্তুতিৰ বাবে জাতীয় স্তৰত আইন প্ৰণয়ন কৰা হ'ব। তদুপৰি বেচৰকাৰী সংস্থা আৰু স্থানীয় সম্প্ৰদায়বোৰকো এই কাৰ্যত জড়িত কৰোৱা হ'ব।

৩) ক্ষেত্ৰীয়, আঞ্চলিক আৰু আন্তৰ্জাতিক পৰ্যায়ত প্ৰাকৃতিক তথা অন্যান্য দুৰ্যোগ প্ৰতিহত কৰিবলৈ বা বিপদ হ্ৰাস কৰিবলৈ তথা এইবোৰ উপশম কৰিবলৈ এক সহযোগিতাৰ সৃষ্টি কৰা যিয়ে নিম্নোক্ত বিষয়বোৰৰ ওপৰত গুৰুত্ব দিব—

ক) মানৱীয় তথা প্ৰতিষ্ঠানিক সক্ষমতা গঢ় দিয়া তথা তাৰ শ্ৰীবৃদ্ধি ঘটোৱা।

খ) তথ্যৰ সংগ্ৰহ, বিতৰণ তথা ব্যৱহাৰৰ বাবে প্ৰযুক্তিৰ সমভাগী হোৱা।

গ) সম্পদৰ ব্যৱস্থা কৰা।

এই কাৰ্যপন্থাবোৰৰ সঠিক ৰূপায়ণৰ বাবে প্ৰতিখন ৰাষ্ট্ৰই নিম্নোক্ত নীতিবোৰ গ্ৰহণ কৰাটো প্ৰয়োজনীয় বুলি কোৱা হৈছিল। এনে নীতিসমূহ হ'ল—

১) এক যথাযথ আৰু সফল দুৰ্যোগ হ্ৰাসকৰণ আঁচনি তথা ব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'লে প্ৰথমতে বিপদৰ মূল্যায়ন কৰাটো প্ৰয়োজনীয়।

২) দুৰ্যোগজনিত সাহায্যৰ প্ৰয়োজন কমাবলৈ হ'লে দুৰ্যোগ প্ৰতিৰোধ আৰু দুৰ্যোগৰ বাবে প্ৰস্তুত হোৱাটো হৈছে প্ৰাথমিক কাম।

৩) ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়, আঞ্চলিক দ্বি-পাক্ষিক বা বহুপাক্ষিক স্তৰত হোৱা বিকাশমুখী আঁচনি বা পৰিকল্পনাত দুৰ্যোগ প্ৰতিৰোধ আৰু প্ৰস্তুতি আৱশ্যকীয় অংগ হোৱা উচিত।

৪) দুৰ্যোগ প্ৰতিৰোধ আৰু প্ৰস্তুতিৰ ক্ষেত্ৰত সফল হ'বলৈ, হ'ব পৰা দুৰ্যোগ সম্পৰ্কত আগতীয়া সতৰ্কবাণী শুনোৱা আৰু এনে সতৰ্কবাণী টেলিসংযোগ বা অনাতাৰ বা দূৰদৰ্শনযোগে প্ৰচাৰিত হোৱাটো প্ৰয়োজনীয়।

৫) দুৰ্যোগ প্ৰতিৰোধ ব্যৱস্থা তেতিয়াহে সফল হ'ব যেতিয়া এই ব্যৱস্থাই স্থানীয় সম্প্ৰদায়কে আদি কৰি জাতীয় বা আন্তৰ্জাতিক স্তৰকো সামৰি ল'ব পাৰে।

৬) সম্প্ৰদায়ক যথাযথ শিক্ষা তথা প্ৰশিক্ষণ প্ৰদানৰ জৰিয়তে ক্ষতিৰ পৰিমাণ ভালেখিনি কমাব পাৰি।

৭) দুৰ্যোগ প্ৰতিৰোধ, উপশম আৰু হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি সকলোৰে মাজলৈ যোৱাটো প্ৰয়োজনীয় আৰু সেইবাবে এনে প্ৰযুক্তি সহজতে, সময়মতে বিনামূলীয়াভাৱে পাব লাগে।

৮) সুষম বিকাশৰ ক্ষেত্ৰত যেনেদৰে প্ৰকৃতিক সুৰক্ষা প্ৰদান কৰাটো এক অবিচ্ছেদ্য অংগ একেদৰে দুৰ্যোগ প্ৰতিৰোধ আৰু উপশম কৰিবলৈ দাৰিদ্ৰতা নিৰ্মূল জৰুৰী।

৯) প্ৰতিখন দেশে নিজৰ দেশৰ নাগৰিক, আন্তঃবিন্যাস আৰু অন্যান্য জাতীয় সম্পদ যাতে প্ৰাকৃতিক দুৰ্যোগৰ ফলত বিনষ্ট নহয় তাৰ বাবে প্ৰাথমিক দায়িত্ব গ্ৰহণ কৰিব লাগিব। আন্তৰ্জাতিক স্তৰতো সমগ্ৰ বিশ্বই উন্নয়নশীল দেশৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি প্ৰয়োজনীয় আৰ্থিক, প্ৰযুক্তিগত সহায় আগবঢ়োৱাৰ ৰাজনৈতিক সদিচ্ছা জ্ঞাপন কৰিব।

**ছেনদাই মূল নীতি (Sendai Framework) ঃ**

হিউগো মূলনীতি গ্ৰহণৰ পিছত ৰাষ্ট্ৰসংঘৰ তত্ত্বাৱধানত এই নীতি সম্পৰ্কত ভালেমান পৰ্যালোচনা অব্যাহত থাকিল। ২০০৭ চনৰ ৫—৭ জুনত ছুইজাৰলেণ্ডৰ জেনেভাত এই মূলনীতিৰ প্ৰথম পুনৰীক্ষণ হয়। ইয়াৰ পিছত একেটা স্থানতে ক্ৰমে ২০০৯, ২০১১ আৰু ২০১৩ চনত বিশ্বৰ বিভিন্ন দেশবোৰে মিলিত হয়। হিউগোৰ পিছত ২০১৫ আন এক মূলনীতি গ্ৰহণ কৰা হয়। ২০১৫ চনৰ মাৰ্চৰ ১৪ৰ পৰা ১৮ তাৰিখলৈ জাপানৰ ছেনদাই মহানগৰীত অনুষ্ঠিত বিশ্ব সন্মিলনে এই বিধি প্ৰস্তুত কৰি উলিয়ায়। দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ ছেনদাই বিধি [Sendai Framework for Disaster Risk Reduction (2015-30)] নামেৰে খ্যাত এই নীতিয়ে পোন্ধৰ বছৰৰ বাবে (২০১৫ ৰ পৰা ২০১৩০লৈ) বাবে সাতটা লক্ষ্য আৰু চাৰিটা অগ্ৰাধিকাৰ ভিত্তিত কৰ্মসূচী নিৰ্দ্ধাৰণ কৰি দিয়ে। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই লক্ষ্য আৰু কৰ্মসূচীৰ অনুমোদন জনায়।

**বিশ্বজনীন সাতবিধ লক্ষ্য ঃ**

১) ২০৩০ৰ ভিতৰত দুৰ্যোগজনিত মৃত্যুৰ হাৰ ভালেখিনি কমোৱা। ২০০৫-২০১৫তকৈ ২০২০-৩০ চনত এই মৃত্যুৰ হাৰ গঢ়ে একলাখ কমোৱা।

২) ২০৩০ চনৰ ভিতৰত সমগ্ৰ বিশ্বতে দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত লোকৰ সংখ্যা বুজন পৰিমাণত কমোৱা। ২০০৫-২০১৫ তকৈ ২০২০-২০৩০ৰ ভিতৰত এনে হ্ৰাসৰ সংখ্যা হ'ব গঢ়ে একলাখকৈ কমোৱা।

৩) ২০৩০ৰ ভিতৰত বিশ্বৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ সৈতে সংগতি ৰাখি দুৰ্যোগজনিত আৰ্থিক ক্ষতি কমোৱা।

৪) গুৰুত্বপূৰ্ণ আন্তঃবিন্যাস, অত্যাৱশ্যকীয় সেৱা যেনে— স্বাস্থ্য, শিক্ষা আদিত হোৱা দুৰ্যোগজনিত ক্ষতিৰ পৰিমাণ বুজন হাৰত কমোৱা আৰু ২০৩০ৰ ভিতৰত এনেবোৰ সেৱাৰ প্ৰত্যাস্ত গুণ (Resilence)ৰ বিকাশ সাধন কৰা।

৫) ২০২০ চনৰ ভিতৰত জাতীয় তথা স্থানীয় পৰ্যায়ত দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ কৌশল গ্ৰহণ কৰা দেশৰ সংখ্যা বৃদ্ধি কৰা।

৬) ২০৩০ চনৰ ভিতৰত উন্নয়নশীল দেশবোৰে যাতে এই মূলনীতি প্ৰয়োগ কৰিব পাৰে তাৰ বাবে যথাযথ আৰু বুজন সহায় প্ৰদান কৰাৰ আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি কৰা আৰু

৭) ২০৩০ চনৰ ভিতৰত ভিন্ন ধৰণৰ দুৰ্যোগৰ সতৰ্ক ব্যৱস্থা তথা দুৰ্যোগজনিত

বিপদ সম্পৰ্কীয় তথ্য আৰু মূল্যায়ন সহজতে পাব পৰাৰ ব্যৱস্থা কৰা।

ছেনদাই মূলনীতিয়ে চাৰিবিধ অগ্ৰাধিকাৰৰ ভিত্তিত কৰ্মপন্থাৰ কথাও উল্লেখ কৰিছিল। এই চাৰিবিধ কৰ্মপন্থা হৈছে—

১) দুৰ্যোগজনিত বিপদ সম্পৰ্কে বুজি উঠা

২) দুৰ্যোগজনিত বিপদ চম্ভালাৰ বাবে দুৰ্যোগজনিত বিপদ পৰিচালনাৰ ব্যৱস্থা শক্তিশালী কৰা।

৩) দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ বাবে প্ৰয়োজনীয় প্ৰত্যান্ত গুণ বা পূৰ্বৰ অৱস্থালৈ ঘূৰি অহাৰ দক্ষতাৰ দিশত বিনিয়োগ কৰা।

৪) দুৰ্যোগৰ ক্ষেত্ৰত যথাযথ সহাঁৰি জনাবলৈ দুৰ্যোগ-প্ৰস্তুতি বৃদ্ধি কৰা আৰু পুনৰুদ্ধাৰ, পুনঃসংস্থাপন আৰু পুনৰ গঠনৰ ক্ষেত্ৰত পূৰ্বতকৈ ভাল অৱস্থা ঘূৰাই অনা।

## ২.৪ ভাৰতত লোৱা ব্যৱস্থাৱলী ঃ

২০০৩ চনলৈ দুৰ্যোগ ব্যৱস্থাপন বিষয়টো ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ৰ অধীনস্থ আছিল। ২০০5 চনত দুৰ্যোগ ব্যৱস্থাপনা আইনখন প্ৰণয়ন হোৱাৰ পিছত সম্প্ৰতি এই বিষয়টো গৃহ মন্ত্ৰণালয় আৰু জাতীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (National Disaster Management Authority বা NDMA)য়ে পৰিচালনা কৰে। তদুপৰি, দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ তথা অন্যান্য বিষয়ত প্ৰশিক্ষণ আৰু সক্ষমতা বৃদ্ধি কৰিবলৈ দুৰ্যোগ ব্যৱস্থাপনাৰ জাতীয় প্ৰতিষ্ঠান (National Institution of Disaster Management) এটিও গৃহ মন্ত্ৰণালয়ৰ তত্ত্বাৱধানত গঢ়ি তোলা হৈছে।

ভাৰত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে গঠন কৰা উচ্চ ক্ষমতাসম্পন্ন কমিটিখনে (HPC) ভাৰতবৰ্ষৰ পটভূমিত ৩৩ বিধ দুৰ্যোগ চিনাক্ত কৰিছে। যিবোৰ শ্ৰেণীৰ অধীনত এই দুৰ্যোগবোৰৰ শ্ৰেণীভুক্তিকৰণ হৈছে সেইবোৰ হৈছে—

১) জলজ আৰু জলবায়ুবিজ্ঞান সম্পৰ্কীয় দুৰ্যোগ

২) ঔদ্যোগিক আৰু ৰাসায়নিক

৩) ভূ-ভৌতিক

৪) জৈৱিক আৰু

৫) দুৰ্ঘটনাজনিত দুৰ্যোগ

বিগত বছৰবোৰত ভাৰতবৰ্ষত দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ বাবে ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা পৰ্যায়ত ভালেমান অনুষ্ঠান গঢ় লৈ উঠিছে। উল্লিখিত দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত ৰাষ্ট্ৰীয় স্তৰত এন ডি এম এ (NDMA) গঢ় লৈ উঠাৰ লেখিয়াকৈ ৰাজ্যিক পৰ্যায়ত গঢ়া হৈছে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (SDMA)। একেদৰে জিলা পৰ্যায়ত আছে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী।

ডি আৰ আৰ ক্ষেত্ৰত এখন ৰাষ্ট্ৰীয় মঞ্চ গঢ়াৰ উদ্দেশ্যত ভাৰত চৰকাৰে ২০১৩ চনৰ ২৬ ফেব্ৰুৱাৰীত গঢ় দিয়ে National Platform for Disaster Risk Reduction (NPDRR)। চৰকাৰী বিভিন্ন প্ৰতিষ্ঠান, প্ৰাধিকাৰী, বেচৰকাৰী সংস্থা, স্বায়ত্ত শাসিত প্ৰতিষ্ঠান, প্ৰচাৰ মাধ্যম, বৈজ্ঞানিক আৰু শৈক্ষিক প্ৰতিষ্ঠান, আন্তৰ্জাতিক সংস্থা, স্থানীয় সম্প্ৰদায়ৰ প্ৰতিনিধি আদি সকলোকে এই মঞ্চই সামৰি ল'ব বিচাৰিছে। এই মঞ্চৰ কৰ্মসূচীবোৰ হৈছে নিম্নোক্তধৰণৰ—

১) সময়ে সময়ে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত হোৱা প্ৰগতিৰ পুনৰীক্ষণ কৰা।

২) কেন্দ্ৰ, ৰাজ্য তথা অন্যান্য সংস্থাবোৰে দুৰ্যোগ ব্যৱস্থাপনা আঁচনি কিমান দূৰ প্ৰয়োগ কৰিছে তাৰ বুজ লোৱা আৰু এই বিষয়ত যথাযথ উপদেশ দিয়া।

৩) দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ দিশত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসন, স্থানীয় নিকায়, নাগৰিক সমাজ আদিৰ মাজত সমন্বয় সাধন কৰা।

৪) দুৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত কেন্দ্ৰ, ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা যদি কোনো প্ৰশ্নৰ উত্থাপন হয় অথবা কোনো বিষয়ত নিজাববীয়াকৈ উপদেশ প্ৰদান।

৫) জাতীয় দুৰ্যোগ ব্যৱস্থাপনা আঁচনি সন্দৰ্ভত পুনৰীক্ষণ কৰা।

এতিয়া আহিছোঁ জাতীয় দুৰ্যোগ ব্যৱস্থাপনা আঁচনি, ২০০৯ ৰ প্ৰসংগলৈ। দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত গৃহ মন্ত্ৰণালয়ে ২০০৯ চনত প্ৰণয়ন কৰা এই আঁচনিখন ২০০৯ চনৰ ২২ অক্টোবৰত ভাৰতবৰ্ষৰ কেবিনেটে অনুমোদন জনায়। এই আঁচনিত উল্লিখিত লক্ষ্যসমূহ হৈছে নিম্নোক্তধৰণৰ—

ক) শিক্ষা, উদ্ভাৱন আৰু জ্ঞানৰ জৰিয়তে সকলো পৰ্যায়তে দুৰ্যোগ প্ৰতিৰোধ প্ৰস্তুতি আৰু পূৰ্বাৱস্থা ঘূৰাই অনাৰ এক পৰিৱেশ ৰচনা কৰা।

**খ) দুৰ্যোগ প্ৰশমৰ বাবে প্ৰযুক্তি, পৰম্পৰাগত জ্ঞান আৰু পাৰিৱেশিক সুষমতা ব্যৱহাৰক উৎসাহ প্ৰদান কৰা।**

**গ) বিকাশৰ আঁচনিবোৰত দুৰ্যোগ ব্যৱস্থাপনাক সন্নিৱিষ্ট কৰা।**

**ঘ) দুৰ্যোগ বিপদ হ্ৰাসকৰণৰ ক্ষেত্ৰত পাৰিবেশিক নিয়মিততা আৰু আজ্ঞা পালন কৰাৰ বাবে প্ৰতিষ্ঠানিক আৰু প্ৰযুক্তি তথা আইনগত বিধি প্ৰস্তুত কৰা।**

**ঙ) দুৰ্যোগজনিত বিপদ চিনাক্তকৰণ, মূল্যায়ন আৰু তদাৰক কৰিবলৈ এক কাৰ্যক্ষম ব্যৱস্থা গঢ়ি তোলা।**

চ) প্ৰযুক্তিৰ সহায়ত আগতীয়া সতৰ্কবাণী শুনাব পৰা তথা ভৱিষ্যৎদ্বাণী কৰা।

ছ) সমাজৰ পীড়িতজনৰ প্ৰয়োজনৰ বাবে পৰিচৰ্যাৰ মনোবৃত্তিৰে সুদক্ষ সহাঁৰি তথা সাহায্যৰ নিশ্চয়তা কৰা।

জ) সুৰক্ষিতভাৱে বাস কৰিবলৈ দুৰ্যোগ প্ৰতিৰোধী গঠন পুনঃনিৰ্মাণ কৰা।

ঝ) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমক গঠনমূলক আৰু তৎপৰ হোৱাকৈ সংগী কৰা।

### ৩. শিশুকেন্দ্ৰীক ডি আৰ আৰ ঃ

### ৩.১ কোনসকলক আমি শিশু বুলি ক'ম?

সাধাৰণ অৰ্থত শিশু বুলি ক'লে আমি মানুহৰ জন্মৰ পিছৰ অতি কম বয়সৰ সময়খিনিৰ কথাকে বুজো। 'শৈশৱ' হ'ল প্ৰতিগৰাকী শিশুৱে যাপন কৰা মানৱ জীৱনৰ আটাইতকৈ উপভোগ্য সময়। কিন্তু সেয়ে হ'লেও এই সময়খিনিও বিভিন্ন পৰ্যায়ৰ সৰু-বৰ দুৰ্যোগ আশংকাৰে আক্ৰান্ত। সাধাৰণতে প্ৰকৃতি সৃষ্ট আৰু মানৱ সৃষ্ট কেতবোৰ নেতিবাচক পৰিস্থিতিৰ দ্বাৰা শিশুসকল সততে আক্ৰান্ত হোৱা দেখা যায়। আৰু এনে ক্ষতি-শংকাৰ পৰা শিশুসকলক সুৰক্ষিত কৰাৰ দায়িত্ব হ'ল সমাজৰ।

প্ৰশ্ন উঠে, কোনখিনি বয়সৰ ল'ৰা-ছোৱালীক বাৰু আমি শিশু বুলি কম? এই ক্ষেত্ৰত কিছুসংখ্যক আন্তৰাষ্ট্ৰীয় ঘোষণাপত্ৰ আৰু আমাৰ দেশৰ আইন-কানুনে কেতবোৰ সময় সীমা বান্ধি দিছে। সেই অনুসৰি পৰিবৰ্তিত প্ৰেক্ষাপটত শিশুৰ বয়সক সংজ্ঞাবদ্ধ কৰা হৈছে তলত দিয়া ধৰণে—

| | আইন/ অন্যান্য পৰামৰ্শ | শিশুৰ বয়সৰ সময় সীমা |
|---|---|---|
| ১. | ক্ৰিমিনেল ল' ১৮৬০, | ৭-১২ বছৰ |

| | | |
|---|---|---|
| | আই পি চি ধাৰা- ৮২ | |
| ২. | জুভিনেল জাষ্টিছ এক্ট | ১৮ বছৰ |
| ৩. | দী চাইল্ড লেবাৰ এক্ট, ১৯৮৬ | ১৪ বছৰ |
| ৪. | চাইল্ড মেৰেজ ৰেষ্ট্ৰেইন এক্ট ১৯২৯ | পুৰুষ ২১ বছৰ<br>মহিলা ১৮ বছৰ |
| ৫. | লেবাৰ ল'ছ এণ্ড এপিটেণ্ট এক্ট ১৯৫১ | ১৫ বছৰ |
| ৬. | ভাৰত জৰকাৰৰ জৰীপ | ১৪ বছৰ |
| ৭. | কিছু সংখ্যক আগশাৰীৰ সমাজবিজ্ঞানীৰ মতে | ১৫-১৯ বছৰ |
| ৮. | দ্য প্লেণ্টেছন লেবাৰ এক্ট, ১৯৫১ | ১৪ বছৰ পৰ্যন্ত |

**শিশুৰ অধিকাৰ কি আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে শিশুৰ অধিকাৰৰ সম্পৰ্ক ঃ**

শিশুৰ অধিকাৰ আচলতে মানৱ অধিকাৰৰ সামগ্ৰিক ধাৰণা আৰু ব্যৱস্থাপনাৰ এক অন্যতম অংশ। সাধাৰণতে শিশুৰ অধিকাৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। আৰু এই চাৰিওটা পৰ্যায়ৰ অধিকাৰ সুৰক্ষাৰ বিষয় কম বেছি পৰিমাণে দুৰ্যোগ ব্যৱস্থাপনাৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কিত।

শিশু অধিকাৰৰ চাৰিটা পৰ্যায় হ'ল—

ক) জীয়াই থকাৰ অধিকাৰ (Right to Survival)

খ) সুৰক্ষাৰ অধিকাৰ (Right to Protection)

গ) বিকাশৰ অধিকাৰ (Right to Development)

ঘ) অংশগ্ৰহণৰ অধিকাৰ (Right to Participation)

জীয়াই থকাৰ অধিকাৰে সামৰি লোৱা বিষয়সমূহ—

⇨ মান সম্পন্ন স্বাস্থ্য সেৱা।

⇨ পৰিপুষ্টি আৰু খাদ্য সুৰক্ষা।

⇨ জীৱন ধাৰণৰ পৰ্যাপ্ত মান।

⇨ নাম, পৰিচয় আৰু ৰাষ্ট্ৰীয়তা।

বিকাশৰ অধিকাৰে সামৰি লয়—

⇨ শিক্ষাৰ অধিকাৰ।

⇨ শৈশৱৰ যতন আৰু বিকাশ।

⇨ সামাজিক নিৰাপত্তা।

⇨ জিৰণি, আমোদ আৰু সংস্কৃতি চৰ্চাৰ অধিকাৰ

সুৰক্ষাৰ অধিকাৰে সামৰি লয়—

⇨ সকলো ধৰণৰ শোষণৰ পৰা মুক্ত থকা।

⇨ দুৰ্ব্যৱহাৰ।

⇨ অমানৱীয় আচৰণ।

⇨ দুৰ্যোগ বা জৰুৰী অৱস্থাত বিশেষ সুৰক্ষা।

অংশগ্ৰহণৰ অধিকাৰে সামৰি লয়—

⇨ শিশুৰ মত আৰু চিন্তাক সন্মান কৰা।

⇨ মুক্ত চিন্তা, বিবেকৰ আহ্বান আৰু ধৰ্মীয় উপাসনা।

⇨ মত প্ৰকাশৰ সুস্থ পৰিৱেশ।

⇨ সকলো ধৰণৰ তথ্য জনাৰ সুযোগ আৰু পৰিৱেশ।

ইতিমধ্যে প্ৰকাশিত তথ্য অনুসৰি আমাৰ দেশ ভাৰতবৰ্ষ সমগ্ৰ বিশ্বৰ ভিতৰতে সৰ্বাধিক শিশু জনসংখ্যাৰ দেশ। অহা ২০২০ চনত ই বিশ্বৰ ভিতৰতে সৰ্বাধিক যুৱ-জনসংখ্যাৰ দেশ হিচাপেও পৰিগণিত হ'ব। একে সময়তে ভাৰতবৰ্ষ হ'ল বিভিন্ন দিশৰ পৰা দুৰ্যোগ শংকা থকা এখন বিশাল ৰাষ্ট্ৰ। ছুনামী, বানপানী, গৰাখহনীয়া, ভূমিকম্পৰ দৰে প্ৰাকৃতিক বিপৰ্যয়ৰ লগতে মানৱ সৃষ্ট দুৰ্যোগৰ দ্বাৰাও এই দেশৰ এক লক্ষণীয় সংখ্যক জনসংখ্যা প্ৰতিবছৰে আক্ৰান্ত হয়। আৰু এনে পৰিস্থিতিত শিশুসকলৰ সুৰক্ষাৰ বিষয়টো অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এনে পৰিস্থিতি অনুধাৱন কৰি ২০০৪ চনৰ ৯ ফেব্ৰুৱাৰীত 'দ্যা নেচনেল চাৰ্টাৰ ফৰ চিলড্ৰেন, ২০০৩' শীৰ্ষক এক ঘোষণাপত্ৰ প্ৰকাশ কৰা হয়। ভাৰত চৰকাৰৰ এই ঘোষণাই প্ৰতিগৰাকী শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ সমান্তৰালকৈ শিশুসকলক সকলো ধৰণৰ দুৰ্যোগ প্ৰৱণতাৰ পৰা আগতীয়া সুৰক্ষাৰ পোষকতা কৰে। একেদৰে, দ্যা নেচনেল পলিচী ফৰ চিলড্ৰেন, ২০১৩ এ বিদ্যালয়ৰ

আওতাৰ বাহিৰত থকা শিশুসকলৰ সুৰক্ষাৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰি শিশু শ্ৰমিক, পথ শিশু, নিচাসক্ত শিশু, বাল্য-বিবাহৰ বলি হোৱা শিশু আদিৰ সুৰক্ষাৰ ক্ষেত্ৰত কেতবোৰ বিশেষ পদক্ষেপ লোৱাৰ পোষকতা কৰিছে।

২০১১ চনৰ জনসংখ্যাৰ জৰীপ অনুসৰি অসমত বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থকা শিশু শ্ৰমিকৰ সংখ্যা (৫-১৪ বছৰ বয়সৰ) ৩,৪৭,৩৫৩ জন। তথ্য অনুসৰি ২০01 চনৰ তুলনাত এই সংখ্যা ৩৩,৯৮৪ গৰাকী হ্ৰাস পাইছে। বৰ্তমানে অসমত থকা শিশু শ্ৰমিকসকলৰ ২,১১,৫৪৮ জন ল'ৰা আৰু ১,৩৫,৮০৫ জনী ছোৱালী।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে যিকোনো দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ পৰিকল্পনা বা কাৰ্যসূচীয়ে যদি শিশুসকলৰ প্ৰয়োজনক গভীৰভাৱে গ্ৰহণ নকৰে তেন্তে তেনে ডি আৰ আৰক আমি কোনোপধ্যেই শিশুকেন্দ্ৰীক ডি আৰ আৰ বুলি অভিহিত কৰিব নোৱাৰো। তদুপৰি ডি আৰ আৰৰ পৰিকল্পনা আৰু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত শিশুসকলৰ অংশগ্ৰহণ কিমান প্ৰয়োজনীয় তাক হয়তো পুনৰ উল্লেখ কৰাৰ কোনো প্ৰয়োজন নাই।

ৰাষ্ট্ৰসংঘৰ শিশুৰ অধিকাৰ বিষয়ক অভিৱৰ্তনে (U N Convention on the Rights of the Child বা চি আৰ চি) শিশুৰ অধিকাৰ সম্পৰ্কত ভালেমান কথা উল্লেখ কৰিছে। এখন কাৰ্যকৰী তথা ফলপ্ৰসু শিশুকেন্দ্ৰীক ডি আৰ আৰৰ বাবে এই অভিৱৰ্তনত উল্লিখিত শিশুৰ অধিকাৰ বিষয়ক প্ৰস্তাৱবোৰ অধিক তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। এতিয়া এই প্ৰসংগলৈ আহিছো।

**শিশুৰ জীৱন, জীয়াই থকা তথা বিকাশৰ অধিকাৰ ঃ** চি আৰ চিৰ ৬ নং অনুচ্ছেদ অনুসৰি প্ৰতিগৰাকী শিশুৰ জীৱনৰ প্ৰতি এক জন্মগত অধিকাৰ আছে। সেয়েহে শিশুৰ জীয়াই থকা তথা বিকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব থাকে।

**শিশুৰ মতাধিকাৰৰ প্ৰতি সন্মান জনোৱা (অনুচ্ছেদ ১২) ঃ** চি আৰ চিৰ এই অনুচ্ছেদ অনুযায়ী প্ৰতিগৰাকী শিশুৰে মতামত প্ৰকাশৰ মুকলি অধিকাৰ আছে আৰু শিশুসকলৰ ওপৰত প্ৰভাৱ পৰিব পৰা যিকোনো বিষয় বা ব্যৱস্থাৰ ক্ষেত্ৰতে শিশুসকলৰ মতামতক গুৰুত্বসহকাৰে লোৱাটো প্ৰয়োজনীয়।

**মতামত প্ৰকাশৰ স্বাধীনতা (অনুচ্ছেদ ১৩) ঃ** প্ৰতিজন শিশুৰে নিজস্ব মত মুকলিভাৱে প্ৰকাশ কৰাৰ অধিকাৰ থাকে। তদুপৰি তেওঁলোকে যিকোনো উৎসৰ পৰা জ্ঞান আহৰণৰ স্বাৰ্থত তথ্য গোটাব পাৰে।

**৩.২ ভাৰতবৰ্ষত শিশুকেন্দ্ৰীক ডি আৰ আৰ ঃ**

শিশুকেন্দ্ৰীক ডি আৰ আৰৰ কথা ক'বলৈ হ'লে পোনতে আমি বিদ্যালয়ত শিশুসকলে পোৱা সুৰক্ষাৰ কথা আলোচনা কৰা উচিত। যিহেতু বেছিভাগ শিশুৰে এক বুজন সময় বিদ্যালয়ত অতিবাহিত হয় সেয়েহে বিদ্যালয়ৰ সুৰক্ষা শিশুৰ বাবে অতিকৈ প্ৰাসংগিক। ভাৰতবৰ্ষৰ ক্ষেত্ৰত শিশুসকল যাতে সুৰক্ষিত হৈ থাকে তাৰ বাবে গৃহ মন্ত্ৰ্যণালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সংমণ্ডলে (The National Disaster Management Division) ২০০৪ চনত স্কুলৰ সুৰক্ষা শীৰ্ষক এক দলিল প্ৰকাশ কৰি উলিয়ায়। এই হাতপুথিখন প্ৰশাসনিক বিষয়া, শিক্ষা বিষয়া, জৰুৰীকালীন কাৰ্যত নিয়োজিত বিষয়া, বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকৰ বাবে প্ৰস্তুত কৰা হৈছিল। এই দলিলত কোৱা হৈছিল যে প্ৰতিখন ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয় সুৰক্ষা আঁচনিখন দুটা স্তৰত প্ৰস্তুত কৰিব লাগে আৰু সেইয়া হৈছে—

ক) এখন জিলাভিত্তিৰ বিদ্যালয় সুৰক্ষা আঁচনি আৰু

খ) বিদ্যালয় গৃহ স্তৰত এখন দুৰ্যোগ প্ৰস্তুতিৰ সহাঁৰি আঁচনি (Emergency Preparedness Response Plan)

বিদ্যালয় সুৰক্ষা কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে—

⇨ শৈক্ষিক কাৰ্যসূচীত বিদ্যালয় সুৰক্ষাক অন্তৰ্ভুক্ত কৰা।

⇨ জিলা উপায়ুক্তৰ নেতৃত্বত জিলা পৰ্যায়ত এখন বিদ্যালয় সুৰক্ষাৰ বাবে উপদেষ্টা কমিটি গঠন কৰা।

⇨ গোটেই জিলাখনৰ বাবে, লগতে প্ৰতিখন বিদ্যালয়ৰ বাবে এখনকৈ বিদ্যালয় সুৰক্ষা আঁচনি প্ৰস্তুত কৰা। এই ক্ষেত্ৰত জিলা পৰ্যায়ত থকা উপদেষ্টা কমিটিয়ে জিলা পৰ্যায়ত বিদ্যালয় সুৰক্ষা আঁচনি প্ৰস্তুত কৰিব আৰু প্ৰতিখন বিদ্যালয়ে 'প্ৰয়োজনীয় বিদ্যালয় প্ৰস্তুতি আৰু জৰুৰীকালীন সহাঁৰি আঁচনি' নিজাববীয়াকৈ প্ৰস্তুত কৰিব।

⇨ প্ৰতিখন বিদ্যালয়ে বিদ্যালয়ৰ গৃহ স্তৰত দুৰ্যোগ প্ৰস্তুতিৰ সহাঁৰি আঁচনি প্ৰস্তুত কৰিব।

⇨ সুৰক্ষা নিয়মাৱলী কাৰ্যকৰীভাৱে প্ৰস্তুত কৰিবলৈ জিলা পৰ্যায়ত ঘটনা সংঘটিত হোৱাৰ বাতৰি জনোৱাৰ এক ব্যৱস্থা গঢ়ি তুলিব লাগিব।

⇨ বিদ্যালয়ৰ সুৰক্ষাৰ বিষয়ত এক বিদ্যালয় সুৰক্ষাৰ প্ৰকাশিত তথ্যভাণ্ডাৰ গঢ়ি তোলা।

এই কাৰ্যসূচীয়ে সামৰি লোৱা পদক্ষেপবোৰ হৈছে—

⇨ শৈক্ষিক কাৰ্যসূচী আৰু সজাগতা বৃদ্ধি।

⇨ দুৰ্যোগজনিত বিপদ ব্যৱস্থাপনাৰ প্ৰদৰ্শন।

⇨ সক্ষমতা বৃদ্ধিৰ প্ৰশিক্ষণ আৰু

⇨ বছৰেকীয়াভাৱে সুৰক্ষাৰ ব্যৱস্থাৰ মূল্যায়ন।

এনেধৰণৰ সুৰক্ষা ব্যৱস্থা যিবোৰ নীতিৰ আদৰ্শত গঢ় দিব লাগে সেইবোৰ হৈছে—

⇨ এনে আঁচনি এক মুকলি ব্যৱস্থা আৰু বৃহৎ পৰিসৰৰ লোকৰ অংশগ্ৰহণেৰে গঢ়িব লাগে।

⇨ আঁচনিবোৰ বিস্তৃত হ'ব লাগে আৰু পূৰ্বতে যিবোৰ কাৰ্য আগতীয়া প্ৰতিৰোধ হিচাপে কৰা হৈছিল তাক এই আঁচনিত সামৰি ল'ব লাগে।

⇨ আঁচনিবোৰ সৰল, সহজতে পঢ়িব পৰা আৰু বুজি পোৱা হ'ব লাগে। এনে আঁচনিক বিস্তৃত পৰিসৰত গ্ৰহণযোগ্য কৰিবলৈ তথা ইয়াত অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ আঁচনিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বিদ্যালয়খনৰ লগত বিভিন্ন ধৰণে জড়িত লোকৰ মাজত বিতৰণ কৰা।

⇨ বিদ্যালয়বোৰে নিজাববীয়াকৈ আঁচনি আৰু কাৰ্য-কৌশল প্ৰস্তুত কৰি ল'ব পাৰে অথবা যিসকলে কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰিছে তাৰ পৰা অভিজ্ঞতা লাভ কৰিব পাৰে।

⇨ আঁচনিসমূহত কাৰ কি ভূমিকা আৰু দায়িত্ব হ'ব তাৰ উল্লেখ থাকিব।

⇨ আঁচনি প্ৰস্তুতকৰণত প্ৰশিক্ষণ আৰু সক্ষমতা বৃদ্ধি এই বিষয় দুটি সন্নিৱিষ্ট হ'ব।

⇨ কাষৰীয়া বিদ্যালয়ৰ সৈতে এনে আঁচনিৰ সু-সমন্বয় থাকিব লাগে। এনে আঁচনিত প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু শাৰীৰিক বা মানসিকভাৱে বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰী/ কৰ্মচাৰীৰ বিষয়টো বিশেষভাৱে উল্লেখ থাকিব লাগে।

⇨ এনে আঁচনি কাৰ্যকৰী হৈ থাকিবলৈ হ'লে মাজে সময়ে ইয়াৰ পুনৰীক্ষণ হ'ব লাগে।

ৰাষ্ট্ৰসংঘৰ UNISDR (United Nations International Strategy for Disaster Reduction) শীৰ্ষক সংগঠনটোৱে বিস্তৃত বিদ্যালয় সুৰক্ষাৰ বাবে তিনিটা বিষয় অপৰিহাৰ্য বুলি কৈছে। সেই বিষয় তিনিটা হ'ল—

ক) সুৰক্ষিত শিক্ষা গ্ৰহণৰ সুবিধা ঃ বিদ্যালয়ৰ কৰ্তৃপক্ষ, আঁচনিকাৰ, স্থপতিবিদ, অভিযন্তা, নিৰ্মাণকাৰী তথা বিদ্যালয়ৰ লগত জড়িত সমাজখনে বিদ্যালয়ৰ বাবে এক সুৰক্ষিত স্থান চিনাক্ত কৰিব লাগে। তদুপৰি তেওঁলোকে প্ৰস্তুত কৰা নিৰ্মাণ আৰু তদাৰকী ব্যৱস্থাই বিদ্যালয়লৈ অহা-যোৱা কৰা ব্যৱস্থাৰ সুৰক্ষাৰ দিশটো অন্তৰ্ভুক্ত কৰিব।

খ) বিদ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা ঃ সুৰক্ষিত শিক্ষা গ্ৰহণৰ পৰিৱেশৰ স্বাৰ্থত ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু স্থানীয় সমাজখনক সামৰি বিদ্যালয়ত এক দুৰ্যোগ ব্যৱস্থাপনা গঢ়ি তোলা।

গ) দুৰ্যোগ হ্ৰাসকৰণ আৰু দুৰ্যোগ সহিব পৰা ব্যৱস্থা শিক্ষাৰ জৰিয়তে গঢ়ি তোলা।

**৩.৩ সমগ্ৰ বিশ্বজুৰি শিশুকেন্দ্ৰীক যি ডি আৰ আৰ ব্যৱস্থা গঢ়ি তোলা হৈছে তাৰ মূল উপাদানবোৰ হৈছে নিম্নোক্তধৰণৰ—**

**শিশুৰ জ্ঞান বৃদ্ধি আৰু দুৰ্যোগৰ বাবে প্ৰস্তুত কৰি তোলা ঃ** দেখা গৈছে যে দুৰ্যোগৰ লগত মুখামুখি হ'বলৈ হ'লে শিশুসকল বিপদক বা বিপদ সম্পৰ্কীয় তথ্যৰ পৰা আঁতৰাই ৰখাতকৈ তেওঁলোকক বিপদ সম্পৰ্কে অধিক সজাগ কৰি তোলাতো প্ৰয়োজনীয়। ইয়াৰ বাবে শিশুসকলক আনুষ্ঠানিক তথা অনানুষ্ঠানিক শিক্ষাৰ লগতে বিভিন্ন প্ৰশিক্ষণ, দুৰ্যোগৰ সৈতে কেনেদৰে মুখামুখি হ'ব পাৰি তাৰ বাবে কৌশল শিকোৱা আদি অতি প্ৰয়োজনীয়। শ্ৰেণীকোঠাত দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ সন্দৰ্ভত মুকলি আলোচনা হোৱাৰ লগতে শ্ৰেণীকোঠাৰ বাহিৰত, ঘৰত আৰু ৰাজহুৱা স্থানতো তেনে আলোচনা হ'ব লাগে তথা প্ৰয়োজন সাপেক্ষে সময়ে সময়ে বিপদ হ্ৰাসকৰণৰ কুচকাৱাজ (drill) কৰিব লাগে।

**প্ৰশিক্ষণ ঃ** কেৱল শিশুকে নহয়, এক সফল ডি আৰ আৰৰ বাবে বিদ্যালয়ৰ

প্ৰশাসনৰ কৰ্মচাৰী, শিক্ষক আৰু পৰিয়ালৰ লোককো যথাযথ প্ৰশিক্ষণ দিয়াব লাগে। দুৰ্যোগ ব্যৱস্থাপনা, প্ৰতিৰোধ আৰু বিপদ হ্ৰাসকৰণ সম্পৰ্কীয় অতিৰিক্ত কৰ্মশালা, অভিজ্ঞ লোকৰ দ্বাৰা ড্ৰিল প্ৰদৰ্শন আৰু শিশুসকলক খেলৰ লেখীয়াকৈ এই বিষয়ত অভ্যস্ত কৰি তোলাটো ফলপ্ৰসু বুলি প্ৰমাণিত হৈছে। ইয়াৰোপৰি শিশুসকলক তথা তেওঁলোকৰ পৰিয়ালক খাদ্য সম্পৰ্কীয় বিষয়ত যথাযথ প্ৰশিক্ষণ বা শিক্ষা দিলেও দুৰ্যোগৰ সময়ত ইয়ে কামত দিয়ে।

**স্বাস্থ্য সচেতনতা ঃ** বিদ্যালয়ৰ বাহিৰে-ভিতৰে স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ জৰিয়তে শিশুসকলৰ দুৰ্যোগজনিত বিপদ হ্ৰাস কৰিব পাৰি। এনে সজাগতা শৈক্ষিক কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰাৰ লগতে স্বাস্থ্য সজাগতা সন্দৰ্ভত প্ৰশিক্ষণ বা কৰ্মশালা আয়োজন কৰাটো প্ৰয়োজনীয়। তদুপৰি আকস্মিক আঘাত, ভয় বা ভীতি আদিৰ পৰা শিশুসকলক কেনেদৰে নিৰাপদে ৰাখিব পাৰি বা সেই বিষয়ত চিকিৎসা প্ৰদান কৰিব পাৰি সেই সন্দৰ্ভতো প্ৰশিক্ষণ দিব পৰা যায়। বিদ্যালয়লৈ হাইজিন কিটছ (Hygin Kits) যোগান এই ক্ষেত্ৰত ফলপ্ৰসু হ'ব পাৰে।

**প্ৰতিৰোধ সংস্কৃতি গঢ়া ঃ** কোনো দুৰ্যোগৰ প্ৰতি ভীতিগ্ৰস্ত হোৱাতকৈ তেনে দুৰ্যোগ কেনেদৰে প্ৰতিৰোধ কৰিব পাৰি সেই সন্দৰ্ভত এক সচেতনতা শিশু তথা অভিভাৱকৰ মাজত গঢ় দিয়াটো নিতান্তই প্ৰয়োজনীয় বুলি বিবেচিত হৈছে। এনে সজাগতা স্থানীয় সমাজখনৰ মূৰব্বী প্ৰতিষ্ঠান, বিভিন্ন চৰকাৰী, বে-চৰকাৰী সংস্থা অথবা বিদ্যালয় কৰ্তৃপক্ষই নিজাববীয়া উদ্যোগত গঢ়ি তুলিব পাৰে।

**সুৰক্ষিত স্থান নিৰ্মাণ ঃ** বিদ্যালয় তথা আৱাস গৃহ যাতে যিকোনো দুৰ্যোগৰ বাবে সুৰক্ষিত হ'ব পাৰে তথা শিশুসকলে তেনে গৃহত নিৰাপদ হোৱাটো নিশ্চিত হ'ব লাগে। অসমৰ দৰে ৰাজ্যত যিহেতু বানপানীৰ উপদ্ৰৱ সৰ্বাধিক সেয়েহে আৱাসস্থল আৰু বিদ্যালয় গৃহৰ সুৰক্ষা এই ক্ষেত্ৰত আটাইতকৈ বিচাৰ্য বিষয়।

**শিশুৰ ভূমিকা ঃ** দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ সামগ্ৰিক প্ৰক্ৰিয়াত শিশুসকলৰ হাতত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা অৰ্পণ কৰিব লাগে যাতে তেওঁলোকৰ নিজাববীয়া প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। তদুপৰি শিশুসকলৰ হাতত নেতৃত্ব অৰ্পণ বহু ক্ষেত্ৰত ফলদায়ক বুলি প্ৰমাণিত হৈছে।

**সৃষ্টিমূলক আৰু পৰিৱেশ্য কলাৰ ব্যৱহাৰ ঃ** পৰিৱেশ্য আৰু সৃষ্টিমূলক শিল্পকলাৰ ব্যৱহাৰৰ জৰিয়তে শিশুসকলক দুৰ্যোগ সম্পৰ্কে আৰ্থিক সজাগ কৰি তুলিব পৰা যায়। একেদৰে দুৰ্যোগজনিত বিপদ হ্ৰাসৰ ক্ষেত্ৰতো এনে মাধ্যম

বিভিন্ন দেশত সফল হৈছে। পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজত দুৰ্যোগ তথা দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণৰ বিভিন্ন পদক্ষেপ প্ৰচাৰিত কৰিবলৈ এনে মাধ্যমৰ লগতে, ফটোগ্ৰাফ ভিডিঅ', ইণ্টাৰনেট আদি ব্যৱহাৰ কৰিব পাৰি।

**শিশুৰ দ্বাৰা কৰিব পৰা চাৰিবিধ যোগাত্মক কাৰ্য ঃ**

⇨ দুৰ্যোগ আৰু দুৰ্যোগজনিত বিপদ হ্ৰাসকৰণ প্ৰক্ৰিয়াৰ এগৰাকী বিশ্লেষকৰ ভূমিকাও শিশুৱে পালন কৰিব পাৰে।

⇨ সম্প্ৰদায় পৰ্যায়ত ডি আৰ আৰ ৰূপায়ণ আৰু ইয়াৰ প্ৰস্তুতকৰণত শিশুৱে ভূমিকা ল'ব পাৰে।

⇨ বিপদ আৰু বিপদ হ্ৰাসকৰণৰ ব্যৱস্থাবোৰ কি কি সেই সম্পৰ্কত পৰিয়াল, অভিভাৱক আৰু সম্প্ৰদায়টোক শিশুজনে জনাব পাৰে।

⇨ সম্প্ৰদায়ভিত্তিক প্ৰতিৰোধ গঢ়াৰ ক্ষেত্ৰত শিশু হ'ব পাৰে সম্পদ আৰু কাৰ্যৱলীৰ মাজৰ এগৰাকী সমন্বয় ৰক্ষাবাহী।

### ৪.১ গ্ৰাম্য বিকাশ মঞ্চ আৰু ইয়াৰ প্ৰকল্প অঞ্চল ঃ

গ্ৰাম্য বিকাশ মঞ্চ (জি ভি এম) ১৯৯৯ চনত নলবাৰী জিলাত জন্ম লাভ কৰা এটা স্বেচ্ছাসেৱী সংস্থা। অঞ্চলটোৰ কেইগৰাকীমান উদ্যমী যুৱকে প্ৰতিষ্ঠা কৰা এই স্বেচ্ছাসেৱী সংস্থাটোৰ প্ৰধান উদ্দেশ্য হ'ল প্ৰতিখন গাঁৱতে এখন শোষণমুক্ত সমৃদ্ধিশালী সমাজ প্ৰতিষ্ঠা কৰা। এই লক্ষ্যত উপনীত হোৱাৰ বাবে সংস্থাটোৱে বিগত যোল্ল বছৰে ৰাজ্যখনৰ তিনিখন জিলা ক্ৰমে নলবাৰী, কামৰূপ আৰু বাগ্‌সাৰ গ্ৰামাঞ্চলত ভালে সংখ্যক উন্নয়নমূলক প্ৰকল্প আৰু সচেতনতা অভিযানমূলক কাৰ্যসূচী ৰূপায়িত কৰি আহিছে। সংস্থাটোৱে তাৰ উদ্দেশ্য ফলৱতী কৰাৰ বাবে তাৰ লক্ষ্য আৰু কৰ্মসূচীক চাৰিটা ভাগত ভাগ কৰি লৈছে। সেই চাৰি কৰ্মসূচী হৈছে— ক) জীৱিকাৰ সৃষ্টি খ) মানসম্পন্ন শিক্ষাৰ প্ৰসাৰ আৰু অধিকাৰ প্ৰতিষ্ঠা গ) শিশু আৰু মহিলাৰ সুৰক্ষা আৰু বিকাশ আৰু ঘ) দুৰ্যোগ প্ৰতিৰোধ, সাহায্য আৰু পুনৰ সংস্থাপন। বিগত সময়ছোৱাত জি ভি এময়ে যিবোৰ প্ৰকল্প ৰূপায়িত কৰিছে সেই প্ৰকল্পসমূহে উল্লিখিত কৰ্মসূচীৰ মাধ্যমেদিয়ে সৰ্বসাধাৰণ নাগৰিকৰ ওচৰ পাইছেগৈ। এই সময়ছোৱাৰ ভিতৰত সংস্থাটোৱে, ইউৰোপীয়ান কমিছন ফৰ হিউমেনিটেৰীয়ান এইড অফিছ, ইউনিছেফ, একছন এইড্, আই জি এছ এছ এছ, ডি হাঙ্গাৰ প্ৰজেক্ট, টাটা ট্ৰাষ্ট, ছাৰ জামছেট্‌জী টাটা ট্ৰাষ্ট, নেচনেল ফাউণ্ডেছন অব ইণ্ডিয়া, এফ এ ডি ভি তথা ভাৰত চৰকাৰৰ

গ্ৰামোন্নয়ন মন্ত্ৰণালয়ৰ অৰ্থ সাহায্যত উল্লিখিত জিলা কেইখনৰ বিভিন্ন প্ৰান্তৰত ভালেকেইটা অভিলাসী আৰু উচ্চ উদ্ভাৱনীমূলক প্ৰকল্প ৰূপায়িত কৰি সচেতন নাগৰিকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ, টাটা ট্ৰাষ্টৰ দ্বাৰা ৰূপায়িত পি ডি বি আই প্ৰকল্পৰ অধীনত সম্ভৱ হৈ উঠা জীৱিকা সৃষ্টিৰ অভিযানে সচেতনজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তদুপৰি, দুৰ্যোগ প্ৰতিৰোধ আৰু পুনঃসংস্থাপন অভিযান ৰূপায়িত কৰাৰ ক্ষেত্ৰত বিশেষ অভিজ্ঞতা থকা এই স্বেচ্ছাসেৱী সংস্থাটোৱে ২০০৪ চনত ৰাজ্যত সংঘটিত ভয়াৱহ বান পৰিস্থিতিত একছন এইড অফিচ চমুকৈ ইক'ৰ অৰ্থ সাহায্যত এক সাহাৰ্য আৰু পুনৰ সংস্থাপনৰ এক প্ৰকল্প ৰূপায়ন কৰিছিল। পৰৱৰ্তী সময়তো দুৰ্যোগ প্ৰতিৰোধ, দুৰ্যোগৰ মুখামুখি হোৱাৰ বাবে প্ৰস্তুতি সন্দৰ্ভত কেইটাও প্ৰকল্প এই সংস্থাটোৱে নলবাৰী, কামৰূপ আৰু বাগ্‌সা জিলাত ৰূপায়ণ কৰিছে। শেহতীয়াকৈ ইটালীৰ অনা চৰকাৰী সংস্থা এফ এ ডি ভিৰ অৰ্থ-সাহায্যত ৰূপায়িত হৈ থকা শিশু আৰু বিদ্যালয় কেন্দ্ৰিক দুৰ্যোগ প্ৰতিৰোধ প্ৰকল্প গ্ৰাম্য বিকাশ মঞ্চৰ অন্যতম প্ৰকল্প। এই প্ৰকল্পৰ দ্বাৰা অঞ্চলটো দুৰ্যোগ প্ৰৱণতা হ্ৰাস কৰি মূলতঃ শিশু আৰু কিশোৰসকলক কিদৰে সুৰক্ষিত কৰিব পাৰি সেই সন্দৰ্ভত প্ৰচেষ্টা চলি আছে। প্ৰকল্পৰ অধীনত বিদ্যালয় কৰ্তৃপক্ষ, স্থানীয় ৰাইজ, অভিভাৱক, শিক্ষাবিদ, খেলুৱৈ আৰু অন্যান্য লোকসকলৰ মাজত দুৰ্যোগ প্ৰৱণতা আৰু শিশুৰ সুৰক্ষা সন্দৰ্ভত সজাগতা অতিমাত্ৰা চলোৱা হৈছে। এই লোকসকলৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগিতাৰ দ্বাৰা দুৰ্যোগৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ কমোৱাৰ বাবে বাস্তৱসন্মত সমাধান সূত্ৰ উদ্ভাৱনত গুৰুত্ব দিয়া হৈছে। এফ এ ডি ভিৰ অৰ্থ সাহায্যত কামৰূপ জিলাৰ গ্ৰামাঞ্চলত যি প্ৰকল্প ৰূপায়িত হৈ আছে তাত গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলকো জড়িত কৰা হৈছে। প্ৰকল্প অঞ্চলৰ প্ৰতিখন গাঁৱতে 'অংশ গ্ৰহণমূলক বিপদ শংকা অধ্যয়ন' (পি ভি এ)ৰ দ্বাৰা তৃণমূল পৰ্যায়ত থকা সমস্যা, সম্ভাৱনা আৰু অভিজ্ঞতা সমূহক একলগ কৰা হৈছে আৰু তাৰ ভিত্তিত দুৰ্যোগ ব্যৱস্থাপনা, দুৰ্যোগ প্ৰশমন, শিশুৰ সুৰক্ষা সন্দৰ্ভত বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ চেষ্টা চলোৱা হৈছে। এই প্ৰক্ৰিয়াত স্বাভাৱিকতে বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে শিশুসকলৰ সুৰক্ষাৰ বিষয়টোক। এই ক্ষেত্ৰত শিশুৰ সুৰক্ষাৰ লগত বিদ্যালয়ত আন্তঃগাঠনি আৰু পাৰিপাৰ্শ্বিকতাৰ বিষয়সমূহক সংযোজিত কৰা হ'ব। আনহাতে শিশুটি বিদ্যালয়লৈ বুলি ঘৰৰ পৰা ওলোৱাৰ উভটি আহি ঘৰ পোৱালৈ গোটেইখিনি সময় 'বিদ্যালয় সময়' বুলি গণ্য কৰা হয়। সেয়েহে শিশুৰ 'বিদ্যালয় সময়'ৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ

থাকে যাতায়াতৰ সুবিধা, যিকোনো ধৰণৰ বিপদ শংকা আৰু অন্যান্য সুৰক্ষাৰ কথা।

গ্ৰাম্য বিকাশ মঞ্চই এফ এ ডি ভিৰ অৰ্থ সাহায্যত ৰূপায়ণ কৰি থকা প্ৰকল্পৰ প্ৰকল্প অঞ্চল মূলতঃ বানপানীৰ দ্বাৰা আক্ৰান্ত। ব্ৰহ্মপুত্ৰৰ কেইবাটাও খৰস্ৰোতা উপনৈয়ে এই অঞ্চলটোত প্ৰতি বছৰে ভয়াৱহ বান পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে। বানপানীয়ে এহাতে যিদৰে কৃষিখণ্ডৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি অঞ্চলটোৰ ৰাইজৰ জীৱিকাৰ প্ৰতি সংকটৰ সৃষ্টি কৰিছে ঠিক একেদৰে বান-দুৰ্যোগে অঞ্চলটোৰ শিশু আৰু মহিলাসকলক বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰি আহিছে। এনে দুৰ্যোগৰ দ্বাৰা প্ৰত্যক্ষভাৱে ক্ষতিগ্ৰস্ত হৈছে শিশুৰ স্বাস্থ্য, শিক্ষা আৰু মানসিক বিকাশ। গতিকে এনে পৰিস্থিতিলৈ লক্ষ্য ৰাখি অঞ্চলটোৰ ৰাইজে প্ৰতি বছৰে সন্মুখীন হৈ অহা দুৰ্যোগৰ লগত কিদৰে মোকাবিলা কৰিব আৰু ক্ষতিশংকা হ্ৰাস কৰিব সেয়া এক ডাঙৰ প্ৰত্যাহ্বান। তৃণমূল পৰ্যায়ত হোৱা বিভিন্ন আলোচনাৰ পৰা এই কথা প্ৰতীয়মান হৈছে যে যদি দুৰ্যোগ প্ৰতিৰোধ, প্ৰশমন আৰু ব্যৱস্থাপনাৰ বাবে স্থানীয়ভিত্তিত কেতবোৰ বিশেষ পদক্ষেপ লোৱা নহয় তেতিয়াহ'লে তেনে অঞ্চলৰ লোকসকল কোনোকালে দুৰ্যোগৰ ক্ষতিশংকাৰ পৰা মুক্ত নহ'ব। এই কথা সন্মুখত ৰাখিয়ে মূলতঃ শিশুসকলক কিদৰে দুৰ্যোগ ক্ষতিশংকাৰ পৰা ৰক্ষা কৰিব পৰা যায় তাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চৰ কামৰূপ জিলাৰ অন্তৰ্গত তিনিটা পঞ্চায়তৰ পৰিস্থিতিৰ এক অধ্যয়ন কৰা হৈছিল। আৰু সেই অধ্যয়নৰ পিছত অঞ্চলটোৰ প্ৰেক্ষাপটত দুৰ্যোগ প্ৰশমন তথা ব্যৱস্থাপনাৰ সন্দৰ্ভত তলত দিয়া ধৰণৰ পৰামৰ্শসমূহ আগবঢ়োৱা হ'ল।

### ৪.২ দুৰ্যোগ আশংকাৰ পৰা শিশুৰ সুৰক্ষা— কিছু পৰামৰ্শ ঃ

১) দুৰ্যোগ সন্দৰ্ভত আঞ্চলিক ভিত্তিত অতীত অধ্যয়ন আৰু কাৰণ অনুসন্ধান।

২) অভিজ্ঞতাৰ সংগ্ৰহ- দৃশ্য-শ্ৰাব্য, লিখিত ৰূপত সংৰক্ষণ।

৩) দুৰ্যোগ আৰু দুৰ্যোগ শংকাৰ কাৰণ অনুসন্ধান আৰু সজাগতা অভিযানৰ দ্বাৰা বহুল প্ৰচাৰৰ ব্যৱস্থা কৰা।

৪) দুৰ্যোগ প্ৰশমন প্ৰক্ৰিয়াত শিশুৰ অংশগ্ৰহণৰ অধিকাৰ নিশ্চিত কৰা।

৫) শিশু আৰু দুৰ্যোগকেন্দ্ৰিক বিষয়সমূহ ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে তালিকাভুক্ত কৰা।

৬) দুৰ্যোগৰ সময়ত শিশুৰ পৰিপুষ্টি আৰু স্বাস্থ্য সেৱা কিদৰে সুনিশ্চিত হ'ব

তাৰ ব্যৱস্থা কৰা।

৭) বিদ্যালয় অভিমুখী পথ আৰু নলা-নৰ্দমাৰ মান নিশ্চিত কৰা।

৮) বিদ্যালয় গৃহৰ আন্তঃগাঠনি দুৰ্যোগ শংকা অনুসৰি নিৰ্মিত হয় নে নাই সেয়া নিশ্চিত কৰা।

৯) শিক্ষক, অভিভাৱক আৰু শিক্ষাকৰ্মীক দুৰ্যোগ ব্যৱস্থাপনা, প্ৰশমন সন্দৰ্ভত প্ৰশিক্ষিত কৰা আৰু প্ৰশিক্ষনত পোৱা সমল বাস্তৱায়িত কৰাৰ বাবে তেওঁলোক প্ৰস্তুত হয় নে নাই সেই সন্দৰ্ভত নিশ্চিত হোৱা।

১০) উন্নত প্ৰযুক্তিৰে দুৰ্যোগৰ আগজাননী দিয়াৰ ব্যৱস্থা প্ৰতিখন বিদ্যালয় আৰু সামাজিক, ৰাজহুৱা অনুষ্ঠানত কৰা।

১১) পাঠ্যপুথিত দুৰ্যোগ প্ৰশমন আৰু প্ৰতিৰোধ সন্দৰ্ভত সহজবোধ্য পাঠ সংযোজিত কৰা।

১২) গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনাত যিকোনো দুৰ্যোগৰ দ্বাৰা হ'ব পৰা শিশুৰ ক্ষতিশংকা হ্ৰাস কৰাৰ বাবে পৰিকল্পনা কৰা আৰু তাক সময়মতে বাস্তৱায়িত কৰা।

১৩) সকলো ধৰণৰ দুৰ্যোগ, দুৰ্যোগ প্ৰশমন, জৰুৰী সেৱা সন্দৰ্ভত থকা স্থানীয় অভিজ্ঞতা, কৌশলসমূহ সন্দৰ্ভত শিশু-কিশোৰ আৰু অভিভাৱকসকলক শিক্ষিত কৰা।

১৪) প্ৰতিখন বিদ্যালয়কে দুৰ্যোগ ব্যৱস্থাপনাৰ একো একোটা সমল কেন্দ্ৰ (Resource Centre) হিচাপে গঢ়ি তোলা।

১৫) প্ৰতিখন গাঁৱতে শিশুসকলক লৈ একো একাটা দুৰ্যোগ প্ৰতিৰোধ গোট গঠন কৰা।

—— সমাপ্ত ——

# বাৰিষা অহাৰ আগতেই বানপানীৰ সাম্ভাব্য বিপদৰ আশংকাৰ সৈতে মোকাবিলা কৰিবলৈ আপুনি প্ৰস্তুত নে??

- ৰেডিঅ', টিভি, বাতৰি কাকত লিখিতভাৱে প্ৰচাৰিত আগজাননী সমূহৰ প্ৰতি নজৰ ৰাখক আৰু বতৰৰ আগজাননী নিয়মিত সংগ্ৰহ কৰক।
- জৰুৰীকালীন সেৱাৰ ফোন ও মোবাইল নম্বৰ সমূহ টোকা বহীত লিখি মনত ৰাখক অথবা সকলোৰে দেখাকৈ ঘৰৰ বেঁৰত ওলোমাই থওঁক।
- বাৰিষাৰ আগতে ঘৰৰ ভেটি আৰু চোতালখনত ওখকৈ মাটি দিয়ক আৰু ঘৰৰ মুধচ্ৰ চাল মেৰামতি কৰি লওঁক।
- ঘৰৰ ভিতৰত আগতে বানপানীৰ সময়ত পানী উঠিছিল যদি বিছনা, আলমাৰী, ৰেক্ আদি যথা সম্ভৱ ওখ কৰি লওঁক।
- ঘৰ আৰু ৰাজহুৱা অনুষ্ঠানত থকা আলমাৰী, ৰেক্ আদিৰ তলৰ খলপত থকা বস্তুবিলাক আঁতৰাই ওপৰৰ খলপত থওঁক।
- সাধাৰণতে মজিয়াত ৰখা সামগ্ৰীসমূহ ওখ যতনৰ ওপৰত ৰাখক আৰু গেছৰ চিলিণ্ডাৰ, ষ্টোভ আদিৰ ক্ষেত্ৰতো এনে ব্যৱস্থা কৰি লওঁক।
- শুকান খাদ্য, বাচন বৰ্তন, ৰন্ধা ইন্ধনৰ সামগ্ৰী টকা, মাটিৰ কাগজ পত্ৰ, ৰেচন কাৰ্ড, ভোটাৰ আই দি কাৰ্ড, শিক্ষাৰ প্ৰমাণ পত্ৰ আৰু কাপোৰ ইত্যাদি প্ৰতিটো পৰিয়ালতে সুৰক্ষিত তথা সাজু কৰি ৰাখক।
- দৰৱৰ বাকচটোত প্ৰয়োজনীয় দৰৱখিনি আছে নে নাই নিশ্চিত কৰি লওক যিহেতু বানপানীৰ পিছতে ডায়েৰীয়া, মেলেৰীয়া আদিৰ সম্ভাৱনাৰ মাত্ৰা বেছি হয়।
- বাৰীৰ কলগছখিনিৰ অৱস্থাটো নিৰীক্ষণ কৰি থ'ব লাগে যাতে বানপানীৰ সময়ত নিৰাপদ স্থানলৈ যাবলৈ ভেল (ভুৰ) সাজি ল'ব পাৰে।
- ৰেডিঅ', টি.ভি, মোবাইল, টৰ্চ লাইট, অতিৰিক্ত বেটাৰী, মমবাতি, দিয়াচলাই, কেৰাচিন, হেল'জেন টেবলেট, ব্লিছিং পাউদাৰ, প্লাষ্টিক ৰছি, তিৰ্পাল আদি সামগ্ৰীও পৰিয়ালত ৰাখিব লাগে।
- বানপানীৰ পাছত সাপৰ আক্ৰমন বৃদ্ধি হয়, গতিকে সৰ্প দংশন এৰাই চলিবলৈ ব্যৱস্থা গ্ৰহণ কৰক।
- বানপানীৰ পিছত যিমানদুৰ সম্ভৱ সোনকালে খোৱাপানীৰ উৎস, শৌচালয়-প্ৰস্ৰাৱগাৰ ব্যৱহাৰৰ উপযোগী তথা চৌপাশৰ আৱৰ্জনা পৰিস্কাৰ কৰি ল'ব লাগে।

গ্ৰাম্য বিকাশ মঞ্চ তথা Fondazione L'Aibero della Vita (FADV) অৰ্থ সাহাৰ্যত ৰূপায়িত ৰাইজৰ সহযোগত শিশু কেন্দ্ৰিক দুৰ্যোগৰ ক্ষয় ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প, অসমৰ অধীনত প্ৰকাশিত।